# অসম চৰকাৰ
# উপায়ুক্ত:::::::: কাৰ্যালয় ::::::: বিশ্বনাথ
## ( গাওঁপ্ৰধান শাখা )

## নিয়োগ বিজ্ঞাপন

**নং- বি জি বি-৩৮/২০২৪/ ৪৯ তাৰিখ:- ২৫/০৬/২০২৬** : অসম চৰকাৰৰ ইংৰাজী ১০-০৪-২০১৮ তাৰিখৰ অধিসূচনা নং-আৰ এল আৰ ১৮৭/ ২০০৭/৩৯, ইং- ১৯-০৭-২০১৯ তাৰিখৰ অধিসূচনা নং আৰ এল আৰ ১৮৭/২০০৭/ পাৰ্ট/২৪ আৰু ইং-২৬-০৮-২০২১ তাৰিখৰ অধিসূচনা নং আৰ এল আৰ ৭৩/২০২০/৩ অনুযায়ী বিশ্বনাথ জিলাৰ অন্তৰ্গত গহপুৰ ৰাজহ চক্ৰৰ অধীনৰ বৰ্তমান খালি হৈ থকা মুঠ ৪ টা নিম্ন লিখিত গাওঁসমূহত গাওঁপ্ৰধান পদত নিযুক্তি দিবৰ বাবে ইচ্ছুক প্ৰাৰ্থীৰ পৰা আবেদন বিছৰা হৈছে ।

| ক্ৰমিক নং | ৰাজহ চক্ৰৰ নাম | মৌজাৰ নাম | গাওঁৰ নাম | লাট নং | পদৰ সংখ্যা | মাহিলি পাৰিতোষিক |
|---|---|---|---|---|---|---|
| ১ | গহপুৰ | গহপুৰ | সুতাৰ গাওঁ, ঘূৰিয়া গাওঁ | ৮ | ১ | ১৪০০০ |
| ২ | গহপুৰ | গহপুৰ | খালিহাই পথাৰ,২ নং ছাকালা , ১নং বেজিসুতি ,১নং ৰাজাবাৰি, ২নং ৰাজাবাৰি, চাৰাবান্ধা, ৰাজাবাহাৰ , ১নং ছাকালা ৰঙামুৰি, গমাৰিআটি, দুছিতিমুখ | ১১ | ১ | ১৪০০০ |
| ৩ | গহপুৰ | গহপুৰ | চেংমৰাগুৰি, মৰনৈগুৰি | ২ | ১ | ১৪০০০ |
| ৪ | গহপুৰ | গহপুৰ | উত্তৰ সোনাপুৰ,সোনাপুৰ,টিংগালিবুৰি, ছিমালুগুৰি,বাগানিবাৰি, পুব ৰঙাজান, এন-চি ৰঙাজান | ২ | ১ | ১৪০০০ |

**প্ৰাৰ্থীৰ নিম্নতম অৰ্হতাসমূহ থাকিব লাগিব :**

১) আবেদনকাৰী ভাৰতীয় নাগৰীক হব লাগিব আৰু নিযুক্তিৰ বাবে আবেদন কৰা গাৱৰ অথবা গাওঁ সমূহৰ ভিতৰৰ স্থায়ী বাসিন্দা হব লাগিব ।

২) অসম চৰকাৰৰ ইং- ১৯-০৭-২০১৯ তাৰিখৰ অধিসূচনা নং আৰ এল আৰ ১৮৭/২০০৭/ পাৰ্ট/২৪ ৰ মতে আবেদনকাৰীৰ দুজনতকৈ (২ জন) বেছি সন্তান থাকিব নালাগিব ( এই অধিসুচনা জাৰি হোৱাৰ আগতে যি সকলৰ দুজনতকৈ অধিক সন্তান আছিল, তেনে ব্যক্তিৰ ক্ষেত্ৰত প্ৰযোজ্য নহব আৰু যমজ সন্তানৰ ক্ষেত্ৰতো এই নিয়ম প্ৰজোয্য নহব । এই সৰ্ন্দভত আবেদনকাৰীয়ে শপতনামা আবেদনৰ লগত দাখিল কৰিব লাগিব ।

৩) আবেদনকাৰীৰ বয়স ইং- ২০-০৫-২০২৬ তাৰিখ মতে নুন্যতম ৩০ বছৰ হব লাগিব আৰু উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষা (HSLC) বা অসম চৰকাৰৰ বৰ্ড প্ৰতিষ্ঠানৰ পৰা সমপৰ্য্যায়ৰ পৰীক্ষাত উৰ্ত্তীণ হব লাগিব ও প্ৰমান পত্ৰ দাখিল কৰিব লাগিব ।

৪) আবেদনকাৰী শাৰীৰিক ভাৱে সক্ষম আৰু মানসিক ভাবে সুস্থ হব লাগিব ।

৫) আবেদনকাৰী আৰ্থিকভাৱে দেৱলীয়া আৰু কোনো চৰকাৰী ধনৰ দেনাদাৰ হব নালাগিব ।

৬) গাওঁপ্ৰধান পৰিয়ালৰ ব্যক্তিক নিযুক্তিৰ ক্ষেত্ৰত অগ্ৰাদিকাৰ দিয়া হব আৰু এই ক্ষেত্ৰত মৌজাদাৰৰ মতামতৰ ওপৰত বিবেচনা কৰা হব ।

৭) আবেদনকাৰী কোনো চৰকাৰী চাকৰীয়াল হব নোৱাৰিব ।

৮) আবেদনকাৰীয়ে গাওঁপ্ৰদান হিচাবে নিযুক্তি বিচৰা অঞ্চলত আবেদনকাৰীৰ নিজ নামত ভূমি/স্থাবৰ/অস্থাবৰ সম্পত্তি থাকিব লাগিব .

৯) আবেদনকাৰী কোনো ৰাজনৈতিক দলৰ সদস্য হব নোৱাৰিব ।

১০) আবেদনকাৰী চৰকাৰী নীতি আৰু কাৰ্যাসূচী ৰূপায়ন কৰাত আৰু প্ৰাকৃতিক দুৰ্যোগৰ সময়ত স্বেচ্ছামূলক ভাৱে সহযোগীতা আগবঢোৱা হব লাগিব ।

১১) আবেদনকাৰী উচ্চ মৰ্য্যদা সম্পন্ন দক্ষ আৰু সমাজৰ সন্মানীয় স্থিতিত থকা ব্যক্তি হব লাগিব ।

ক্ৰমশ: ২

ওপৰত উল্লেখ কৰা অৰ্হতাসমূহ বাধ্যতামূলক। দাখিল কৰা প্ৰমাণপত্ৰ ভুৱা হ'লে প্ৰাৰ্থিত্ব তৎক্ষণাৎ নাকচ কৰা হ'ব আৰু বিধিগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**আবেদন দাখিলৰ শেষ তাৰিখ:** ২৭/০৭/২০২৬ তাৰিখ আবেলি ৪.০০ বজালৈকে বিশ্বনাথ উপায়ুক্ত কাৰ্যালয়ৰ গাওঁপ্ৰধান শাখাত দাখিল কৰিব পাৰিব।

আয়ুক্ত
বিশ্বনাথ

**স্মাৰক নং- বি জি বি-৩৮/২০২৪/ ৪৯ (ক) তাৰিখ - ২৫/০৬/২০২৬**

ইয়াৰ প্ৰতিলিপি :-

১) ভূমিলেখ্য ও জৰীপ অধিকৰ্ত্তা, অসম, ৰুপনগৰ, গুৱাহাটী-৩২, মহোদয়ৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল ।

২) যুটীয়া সচিব, অসম চৰকাৰৰ ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, দিছপুৰ, গুৱাহাটী-৬ মহোদয়ৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল ।

৩) অতিৰিক্ত আয়ুক্ত, ( ৰাজহ) বিশ্বনাথৰ জ্ঞাতাৰ্থে ও বিহীত ব্যৱস্থাৰ্থে প্ৰেৰণ কৰা হল ।

৪) জিলা তথ্য ও প্ৰযুক্তি বিষয়া (NIC), বিশ্বনাথৰ জ্ঞাতাৰ্থে ও বিহীত ব্যৱস্থাৰ্থে প্ৰেৰণ কৰা হল ।

৫) জিলা তথ্য ও জনসংযোগ বিষয়া (DIPRO) , বিশ্বনাথ । তেখেতক এই নিয়োগ বিজ্ঞাপনখনৰ বহুল প্ৰচাৰৰ বাবে ব্যৱস্থা গ্ৰহন কৰিবলৈ প্ৰেৰণ কৰা হল ।

৬) চক্ৰ বিষয়া, গহপুৰ ৰাজহ চক্ৰ বিষয়াৰ জ্ঞাতাৰ্থে ও বিহীত ব্যৱস্থাৰ্থে প্ৰেৰণ কৰা হল । তেখেতক এই নিয়োগ বিজ্ঞাপনখনৰ বহুল প্ৰচাৰৰ বাবে সংশ্লিষ্ট মৌজাদাৰ, পঞ্চায়ত সমূহলৈ দিয়াৰ ব্যৱস্থা গ্ৰহন কৰি ৩ দিনৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ জনোৱা হল ।

৭) নাজিৰ, আয়ুক্ত কাৰ্য্যালয়, বিশ্বনাথ । তেখেতক জাৰিকাৰকৰ দ্বাৰা চক্ৰ বিষয়া সকললৈ উক্ত নিয়োগ বিজ্ঞাপনখন জাৰি কৰি ৩ দিনৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ জনোৱা হল ।

৮) আয়ুক্ত কাৰ্য্যালয়ৰ জাননী ফলক ।

আয়ুক্ত
বিশ্বনাথ

# গাওঁপ্ৰধান পদত নিযুক্তিৰ বাবে আবেদন প্ৰ-পত্ৰ

ক) আবেদনকাৰীৰ নাম: মোবাইল নম্বৰ: _____

খ) পিতাৰ/স্বামীৰ নাম: ______

গ) সম্পূৰ্ণ ঠিকনা:

গাওঁ: মৌজা:

ডাকঘৰ: থানা:

জিলা: বিশ্বনাথ

ঘ) আবেদিত গাওঁৰ নাম: লাট নং:

ৰাজহ চক্ৰৰ নাম:

ঙ) শিক্ষাগত অৰ্হতা:

(প্ৰমাণ পত্ৰৰ স্ব-প্ৰত্যায়িত প্ৰতিলিপি দাখিল কৰিব)

চ) আবেদনকাৰীৰ বয়স ২০-০৫-২০২৬ তাৰিখ মতে: বছৰ মাহ দিন

(প্ৰমাণ পত্ৰ: HSLC Admit Card/জন্মৰ প্ৰমাণ পত্ৰ দাখিল কৰিব)

ছ) আবেদনকাৰী উক্ত লাটৰ স্থায়ী বাসিন্দা হয়নে? হ্যাঁ / নহয়

(বাসিন্দাৰ প্ৰমাণ পত্ৰ – Voter ID/আধাৰ/গাওঁবুঢ়াৰ প্ৰমাণ পত্ৰ দাখিল কৰিব)

জ) আবেদনকাৰীৰ ২টা সন্তানতকৈ বেছি সন্তান নাই বুলি শপতনামা: সংলগ্ন কৰা হ'ল / নাই

(প্ৰথম শ্ৰেণীৰ দণ্ডাধীশ/Notary ৰ দ্বাৰা প্ৰমাণিত শপতনামা দাখিল কৰিব)

ঝ) সামাজিক কামৰ অভিজ্ঞতা আছে নে ? হ্যাঁ / নহয়

(যদি আছে, প্ৰমাণ পত্ৰ দাখিল কৰিব)

ঞ) ২ কপি শেহতীয়া Passport Size ফটো: সংলগ্ন কৰা হ'ল

ট) আবেদনকাৰী পূৰ্বৰ গাওঁপ্ৰধান পৰিয়ালৰ ব্যক্তি হয় নে ? হ্যাঁ / নহয়

(যদি হয়, সম্পৰ্ক ও প্ৰমাণ দাখিল কৰিব)

ঠ) বাকীজাই ঋণ মুক্তৰ প্ৰমাণ পত্ৰ: সংলগ্ন কৰা হ'ল

ড) আবেদিত লাট/গাওঁত নিজৰ নামত মাটি আছেনে ? হ্যাঁ / নহয়

(যদি আছে, দাগ নং: পট্টা নং: )

(ভূমিৰ প্ৰমাণ পত্ৰ/খতিয়ানৰ প্ৰতিলিপি দাখিল কৰিব)

ঢ) আবেদনকাৰী শাৰীৰিকভাৱে সক্ষম আৰু মানসিকভাৱে সুস্থ হয়নে ? হ্যাঁ / নহয়

(চৰকাৰী চিকিৎসকৰ পৰা স্বাস্থ্যৰ প্ৰমাণ পত্ৰ দাখিল কৰিব)

মই ইয়াৰ দ্বাৰা ঘোষণা কৰিছোঁ যে ওপৰত দিয়া সকলো তথ্য মোৰ জ্ঞান আৰু বিশ্বাস মতে সত্য। কোনো তথ্য ভুল বা ভুৱা প্ৰমাণিত হ'লে মোৰ প্ৰাৰ্থিত্ব বাতিল কৰা হ'ব আৰু মোৰ বিৰুদ্ধে আইনগত ব্যৱস্থা ল'ব পাৰিব।

তাৰিখ: আবেদনকাৰীৰ স্বাক্ষৰ: